# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

**নং ঃ ১৭১/২০২০**

## ৰঙালী বিহু আৰু অসমীয়া নৱবৰ্ষ উপলক্ষে মুখ্যমন্ত্ৰীৰ শুভেচ্ছা

**দিছপুৰ, ১২ এপ্ৰিল ঃ** ৰঙালী বিহু আৰু অসমীয়া নববৰ্ষ উপলক্ষে অসমৰ সকলো শ্ৰেণীৰ জনসাধাৰণক আন্তৰিক ওলগ আৰু শুভেচ্ছা জনাইছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক বিবৃতিৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ৰঙালী বিহু আৰু অসমীয়া নববৰ্ষৰ এই শুভক্ষণে অসমৰ সকলো শ্ৰেণীৰ ৰাইজক নিজকে সুৰক্ষিত কৰি ৰখাৰ বাবে দৃঢ়তাৰে সংকল্পবদ্ধ হ'বলৈ এক নতুন প্ৰেৰণা প্ৰদান কৰিব। কৰ'ণা ভাইৰাছৰ কলীয়া ডাৱৰে আৱৰা এই জটিল সন্ধিক্ষণত অসমৰ ৰাইজে প্ৰথমবাৰৰ বাবে নিজৰ বাপতি সাহোন ৰঙালী বিহু বিশেষ উৎসাহ-উদ্দীপনা অবিহনে উদ্‌যাপন কৰিবলগীয়া হৈছে। এই জটিল সন্ধিক্ষণত নিজকে সুৰক্ষিত কৰাৰ লগতে পৰিয়াল, সমাজ, ৰাজ্য তথা ৰাষ্ট্ৰক সুৰক্ষিত কৰি ৰখাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনোৱা লক্ ডাউন কাৰ্যসূচী নিষ্ঠাৰে পালন কৰাৰ বাবে জনসাধাৰণে নিজৰ ঘৰতে আবদ্ধ থাকি সামাজিক ব্যৱধানৰ নীতি বজাই ৰাখি এইবাৰৰ বিহুটো পালন কৰিব লাগিব। কিন্তু বিহুৰ মাজতে জনসাধাৰণে নিজকে দৃঢ়ভাৱে প্ৰতিজ্ঞাবদ্ধ হ'বলৈ অনুপ্ৰাণিত কৰিব লাগিব যাতে কৰ'ণা ভাইৰাছৰ সংক্ৰমণ প্ৰতিহত কৰি মানৱতাৰ বিজয় ধ্বজা উৰুৱালৈ সক্ষম হয়। মুখ্যমন্ত্ৰীয়ে বিহুৰ এই পৱিত্ৰ ক্ষণত অসমৰ সকলো শ্ৰেণীৰ জনগণক পুনৰবাৰ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে এই ভাইৰাছৰ বিৰুদ্ধে সৰ্বাত্মক যুদ্ধত অৱতীৰ্ণ হৈ ইয়াৰ শৃংখল সমুলঞ্চে মষিমূৰ কৰাৰ বাবে সংকল্পবদ্ধ হ'বলৈও আহ্বান জনায়। তমসা আঁতৰাই সূৰ্যোদয়েৰে জগত আলোকিত হোৱাৰ দৰে মানৱ সভ্যতাৰ এই ক'লীয়া ডাৱৰো অচিৰেই আঁতৰি যাব। সেয়েহে জনসাধাৰণে এই সময়খিনিত সংযম, ধৈৰ্য, অনুশাসন, স্বাস্থ্যসন্মত বিধি-বিধান মানি চলাৰ সংকল্পৰে সমগ্ৰ মানৱ সমাজে সন্মুখীন হোৱা জটিল পৰিস্থিতি আঁতৰাব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। সকলোৱে সন্মিলিতভাৱে এই আপদকালীন সময়ৰ পৰা পৰিত্ৰাণ পোৱাৰ বাবে যুঁজ দিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

**বঃ ভাঃ / প্ৰঃকুঃবঃ / পুঃডেঃ**
**১২/৪/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in
**E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam
cmassam.prcell@gov.in